ছুন্নত হৈছে মুআজ্জিনে ফজৰৰ আজানত হাইয়্য়া আলাল ফালাহ কোৱাৰ পিছত "আচ্ছালাতু খাইৰুম মিনান নাওম," কোৱা।

আনাছ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ ছুন্নত হৈছে মুআজ্জিনে ফজৰৰ
আজানত হাইয়্য়া আলাল ফালাহ কোৱাৰ পিছত "আচ্ছালাতু খাইৰুম মিনান নাওম," কোৱা।
[رواه ابن خزيمة والدارقطني والبيهقي] [ছহীহ[

আনাছ ইবনে মালিক ৰাদ্বিয়াল্লাহু আনহুৱে হাদীছটোত জনাইছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেখেতৰ ছুন্নতত যিবোৰ বিষয়ৰ অনুমোদন দিছিল, তাৰ মাজত এইটোও আছে যে, বিশেষকৈ ফজৰৰ আজানত মুআজ্জিনে "হায়্যা আলাল ফালাহ"ৰ পিছত "আচ্ছালাতু খাইৰুম মিনান নাওম" (টোপনিতকৈ নামাজ শ্ৰেষ্ঠ) বুলি কোৱা।

http://www.sunnah.global/hadeeth/as/show/10616